




গৌৰৱোজ্জ্বল অবিৰাম যাত্ৰাৰ ২৮তম বৰ্ষ

দৈনিক গণ অধিকাৰ

মূক জনতাৰ মুক্ত কণ্ঠ








■ বছৰ ১২ ■ সংখ্যা ৩৪ ■ গুৱাহাটী, বুধবাৰ, ৮ জুন, ২০২২ ■ ২৪ জেঠ, ১৯৪৪ শক ■ Guwahati, Vol. 12, No. 34, Wednesday, 8 June, 2022 ■ RNI No. 63550/95 ■ মূল্য ঃ ১০ টকা


# কলগাছিয়া নৱজ্যোতি মহাবিদ্যালয়ৰ চৌহদত বিশ্ব পৰিৱেশ দিৱস পালন

**গুৱাহাটী, ৭ জুন ঃ** কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ চৌহদত দিনযোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ছাহজাহান আলি আহমেদে বৃক্ষৰোপণৰ দ্বাৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে "কাৰ্বন-ডাই-অক্সাইড, সেউজগৃহ গেছ আৰু জলবায়ু পৰিৱৰ্তন"ৰ ওপৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰখনত সমল ব্যক্তি ৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° এম এছ শ্বেইখে পৰিৱেশ প্ৰদূষণৰ ভয়াবহতা আৰু উদ্যোগিক বিকাশে কিদৰে পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলাইছে তাক বিষদভাৱে আলোচনা কৰে। মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ



সহযোগী অধ্যাপক কায়ুম কবিৰ আহমেদে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ আৰু সেউজগৃহ গেছৰ স্থিতি সম্পৰ্কে আলোচনা কৰাৰ লগতে বৃক্ষৰোপণৰ বিকল্প নথকাৰ কথাও উল্লেখ কৰে। অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° কাকলি হাজৰিকাই পৰিৱেশ প্ৰদূষণৰ অৰ্থনৈতিক প্ৰভাৱ আৰু মানৱসমাজৰ কৰণীয় সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰৌছানাৰা আখতাৰৰ শলাগৰ শৰাইৰ পাছতে আলোচনা চক্ৰখনৰ সামৰণি পৰে। উক্ত দিনটোৰ লগত সংগতি ৰাখি ছাত্ৰ ছাত্ৰীসকলৰ মাজত "পৰিৱেশ শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা" বিষয়ত এখন ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।